C M Y K

# মৰিয়নি নগৰত সোমাল বৃহৎ হাতীৰ জাক, আতংকিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২১ নৱেম্বৰ ঃ** মৰিয়নি নগৰৰ তিনি নম্বৰ ওৱাৰ্ডৰ পূৰ্বৰ বিৰলা প্লাইউড কাৰখানাৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰি প্ৰায় ৩০টাৰো অধিক বন্যহস্তীয়ে অৱস্থান লোৱাত আজি এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ এটা বৃহৎ জাকে কালি খৰিকতীয়া অঞ্চলত প্ৰৱেশ কৰে। হাতীৰ জাকটোৱে পুৱতি নিশা ধোদৰ আলি পাৰ হৈ ধপাত বাৰী, পুঙাবাৰী, হাতীপতি চাহবাগিচা হৈ হোনোৱাল চাহ বাগিচাত প্ৰৱেশ কৰে। পাছত চাউৰা লাইনৰ সমীপৰ এখন সৰু জোপোহা আঠ পৃষ্ঠাত চাওক


দৈনিক অগ্ৰদূত

যোৰহাট, ২২ নৱেম্বৰ, ২০১৭ বুধবাৰ পৃষ্ঠা তিনি


## সোঁতৰ বিপৰীতে




# পঞ্চায়ত নিৰ্বাচনৰ বাবে তৎপৰ বিজেপি

## ২,২০২ খন পঞ্চায়তত তত্ত্বাৱধায়ক নিযুক্তিৰ সিদ্ধান্ত, অগপৰে মিত্ৰতা সন্দৰ্ভত আলোচনা বৈঠকত

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিজেপিয়ে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি কৰিছে। পঞ্চায়তবোৰ নিজৰ দখললৈ অনাৰ বাবে দলটোৱে প্ৰাৰ্থী বাচনি প্ৰক্ৰিয়াৰ প্ৰাৰম্ভিক পৰ্যায় আৰম্ভ কৰাৰ লগতে প্ৰতিটো পঞ্চায়তৰ সাংগঠনিক কাম কাজ নখদৰ্পনত ৰখাৰ কৌশল গ্ৰহণ কৰিছে। তাৰ বাবে ৰাজ্যৰ ২,২০২খন গাঁও পঞ্চায়তৰ প্ৰতিখনতে দলৰ একোজন নেতাক তত্ত্বাৱধায়কৰূপে নিযুক্তি দিয়াৰ সিদ্ধান্ত আজি গ্ৰহণ কৰা হয়। উল্লেখ্য যে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যিক বিজেপিয়ে ইতিমধ্যে এখন তত্ত্বাৱধায়ক সমিতি গঠন কৰে। নিৰ্বাচনৰ সামগ্ৰিক প্ৰস্তুতি নিৰীক্ষণৰ বাবে গঠন কৰা সমিতিখনৰ আজি অনুষ্ঠিত হোৱা বৈঠকতে তত্ত্বাৱধায়ক নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি অহা পহিলা ডিচেম্বৰত গুৱাহাটীত এখন উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাপতি ৰঞ্জিত কুমাৰ দাসৰ নেতৃত্বত আঠ পৃষ্ঠাত চাওক



*লেখিকা লতি গগৈৰ ১২টা বিদেশী গল্পৰ অসমীয়া অনুবাদ 'সাগৰৰ সিপাৰে ধুনীয়া দেশ' আজি প্ৰেছ ক্লাবত উন্মোচন কৰে কনকসেন ডেকা আৰু গিৰিপদ দেৱচৌধুৰীয়ে।*

## ধমধমা উচ্চ মাধ্যমিকত তলা বন্ধক লৈ সংঘাত

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ২১ নৱেম্বৰ ঃ** সময় মতে ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত নোহোৱাৰ বাবে কৰ্তৃপক্ষই মূল প্ৰৱেশদ্বাৰত তলা মৰাক কেন্দ্ৰ কৰি আজি নলবাৰী জিলাৰ ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। তলা বন্ধক কেন্দ্ৰ কৰি একাংশ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত সংঘাত সৃষ্টি হয়। অৱশ্যে সংবাদ মাধ্যম আৰু স্থানীয় আছুৰ মধ্যস্থতাত পৰিৱেশ শান্ত হয়।

### বিদ্যালয়ৰ বাহিৰতে ৰ'ল একাংশ ছাত্ৰ-ছাত্ৰী

উল্লেখ্য যে একাংশ ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত সময় মতে উপস্থিত নোহোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছিল। সেই দিশটোৰ প্ৰতি চিন্তিত হৈয়ে বিদ্যালয়ৰ অধ্যক্ষ আৰু কৰ্তৃপক্ষই সকলো শিক্ষক তথা ছাত্ৰ-ছাত্ৰীক পুৱা ন বজাৰ পূৰ্বে আঠ পৃষ্ঠাত চাওক

## গোৱালপাৰাত ভোটাৰ পৰিচয়পত্ৰত বিসংগতি, ৰাইজৰ দুৰ্ভোগ

**অগ্ৰদূত বাৰ্তা**

**গোৱালপাৰা, ২১ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণ প্ৰক্ৰিয়া অব্যাহত থকাৰ সময়তে ভোটাৰৰ পৰিচয় পত্ৰক কেন্দ্ৰ কৰি মহা সমস্যাৰ সন্মুখীন হৈছে গোৱালপাৰাৰ একাংশ লোক। গোৱালপাৰা জিলাৰ ৩৮ নম্বৰ গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ অন্তৰ্গত তেলীপাৰা ভোট কেন্দ্ৰ খণ্ড নম্বৰ ১৫৬ আৰু ১৫৭ নম্বৰৰ ভোটাৰ ৰাইজ বিভিন্ন সমস্যাত পৰাৰ তথ্য পোহৰলৈ আহিছে। নিৰ্বাচন আয়োগৰ পৰা প্ৰদান কৰা ভোটাৰ পৰিচয়পত্ৰসমূহত থকা বিসংগতিৰ পৰিপ্ৰেক্ষিততে এইসকল ভোটাৰৰ নানা দুৰ্গতি হোৱাৰ অভিযোগ উত্থাপিত হৈছে।

উল্লেখ্য যে নিৰ্বাচনী আয়োগৰ ব্যৱস্থামৰ্মে ভোটাৰ তালিকাত অন্তৰ্ভুক্ত ভোটাৰ পৰিচয়পত্ৰ প্ৰদান কৰা হয়। সেই মৰ্মেই ভোটাৰে ভোটাৰ পৰিচয়পত্ৰ লাভ কৰে। কিন্তু অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত ভোটাৰ পৰিচয়পত্ৰসমূহত বিসংগতি থকাৰ পৰিপ্ৰেক্ষিতত উক্ত লোকসকল বিভিন্ন চৰকাৰী-বেচৰকাৰী কাম-কাজত অসুবিধাৰ সন্মুখীন হৈছে। কিয়নো বিভিন্ন কাম-কাজত আঠ পৃষ্ঠাত চাওক

## সৰুক্ষেত্ৰীৰ খণ্ড উন্নয়ন বিষয়াৰ অতপালিত গাঁওবুঢ়া সন্থাৰ সভা বৰ্জন

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ২১ নৱেম্বৰ ঃ** দুৰ্নীতি-অনিয়মেৰে সৰুক্ষেত্ৰী উন্নয়ন খণ্ডত লুণ্ঠন অব্যাহত ৰখা উন্নয়ন খণ্ডটোৰ খণ্ড উন্নয়ন বিষয়া মনোৱাৰ হুছেইনৰ ঊদ্বতালিয়ে সীমা চেৰাই যোৱাৰ অভিযোগ উত্থাপন হৈছে। ক্ষমতাৰ ৰাগিত বলীয়ান হৈ সৰ্বসাধাৰণ লোকক কুকুৰ-মেকুৰীৰ দৰে ব্যৱহাৰ কৰা এই খণ্ড উন্নয়ন বিষয়াজনক দুৰ্ব্যৱহাৰত অতিষ্ঠ হৈ আজি সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কে'বাখনো গাঁৱৰ গাঁওবুঢ়াই সভা বৰ্জন কৰিবলগীয়া পৰিস্থিতিৰো উদ্ভৱ ঘটে। এই ঘটনাত স্বাভাৱিকতে অঞ্চলটোৰ ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

### সভালৈ আমন্ত্ৰণ কৰি অতিথিক চৰম অপমান

উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা অটল অমৃত যোজনা অভিলাষী আঁচনিখনৰ সন্দৰ্ভত খণ্ড উন্নয়ন বিষয়া হুছেইনে আজি এখন কৰ্মশালা আয়োজন কৰে। পুৱা ১১ বজাত লচিমাস্থিত খণ্ড উন্নয়ন বিষয়াজনৰ কাৰ্যালয়ত আয়োজন কৰা উক্ত খণ্ড পৰ্যায়ৰ কৰ্মশালালৈ আঠ পৃষ্ঠাত চাওক

## নগাঁৱত তিনি দিনত আদালতৰ তৰণীসহ পাঁচ চোৰাংচিকাৰী আটক

### আজি জখলাবন্ধা আৰক্ষীৰ জালত দুজন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/কলিয়াবৰ, ২১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ জখলাবন্ধা আৰক্ষী থানাৰ এটা দলে আজি পুৱতি নিশা এক গোপন সূত্ৰৰ ভিত্তিত দুজন চোৰাংচিকাৰীক আটক কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় গঁড় হত্যাত জড়িত চোৰাংচিকাৰী দুজন হ'ল কলিয়াবৰৰ দাৰিগজিৰ নিতুল হাজৰিকা আৰু চিকনি বৰহোলৰ ছহিদুল ইছলাম ওৰফে ছহিদ। আৰক্ষীৰ সূত্ৰই এই দুজন চোৰাংচিকাৰী কাজিৰঙাৰ গঁড় হত্যাত জড়িত বুলি দাবী কৰিছে। ইয়াৰ ফলত বিগত তিনি দিনত নগাঁৱত পাঁচজন চোৰাংচিকাৰী আটক হ'ল।

উল্লেখ্য যে ধৃত ছহিদুল দীৰ্ঘদিন চোৰাংচিকাৰীৰ স'তে জড়িত আছিল। গঁড় হত্যাত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে পূৰ্বে তেওঁক গ্ৰেপ্তাৰ কৰিছিল যদিও পৰৱৰ্তী সময়ত জামিনত মুক্তিলাভ কৰি পুনৰ দুষ্কাৰ্যত লিপ্ত হৈ পৰে। মুক্তিৰ আঠ পৃষ্ঠাত চাওক

## অসম ডাউন-টাউন বিশ্ববিদ্যালয়ত বৌদ্ধিক সম্পদৰ অধিকাৰ বিষয়ক সজাগতা কাৰ্যক্ৰম

**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ মেকানিকেল ইঞ্জিনীয়াৰিং বিভাগৰ উদ্যোগত চলিত বৰ্ষৰ ১৭ আৰু ১৮ নৱেম্বৰত বৌদ্ধিক সম্পদৰ অধিকাৰ 'ইন্টেলেকচুৱেল প্ৰ'পাৰ্টি ৰাইটছ'ৰ বিষয়ে দুদিনজোৰা সজাগতাকৰণ কাৰ্যক্ৰম পালন কৰা হয়। ভাৰত চৰকাৰৰ ইলেকট্ৰনিকছ আৰু আই টি মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰয়োজিত এই কাৰ্যক্ৰমত প্ৰতিষ্ঠানখনৰ মেকানিকেল ইঞ্জিনীয়াৰিং বিভাগৰ মুৰব্বী অধ্যাপক ড° অভিনৱ গুপ্তা আৰু সহ-অধ্যাপক ৰিজান অলৰেজাৰ তত্ত্বাৱধানত আয়োজিত হয়। ইয়াত পৌৰোহিত্য কৰে শৈক্ষিক প্ৰতিষ্ঠানখনৰ নিৰ্দেশক ড° বি কে ডেয়ে। কাৰ্যক্ৰমখনৰ উদ্বোধনী ভাষণত আচাৰ্য ডাঃ এন এন দত্তই কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্নজনে যদিও আৱিষ্কাৰমূলক কাম কৰি আছে, তথাপি উপযুক্ত মঞ্চৰ অভাৱত আৰু সজাগতাৰ আঠ পৃষ্ঠাত চাওক

## গোলাঘাটৰ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ছফ্টৱেৰ হেক

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ২১ নৱেম্বৰ ঃ** প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ গোলাঘাটৰ কাৰ্যালয়ৰ মূল ছফ্টৱেৰটো কোনো দুষ্ট চক্ৰই হেক কৰাৰ লগতে 'পাকিস্তান জিন্দাবাদ' ধ্বনি লিখি থোৱা কাৰ্যত আজি কাৰ্যালয়টোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

### দেৱালত পাকিস্তান জিন্দাবাদ ধ্বনি

আজি পুৱা কাৰ্যালয়ত উপস্থিত হৈ কৰ্মচাৰীয়ে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ছফ্টৱেৰটো খোলাৰ লগে লগে হেক কৰাৰ ঘটনা পৰিস্ফুট হৈ পৰে। ছফ্টৱেৰটো হেক কৰি দুষ্ট চক্ৰই দেৱালত 'পাকিস্তান জিন্দাবাদ' বুলি লিখি থোৱা দেখি কৰ্মচাৰীসকল অধিক স্তম্ভিত হৈ পৰে। ইয়াৰ উপৰি দেৱালত বিভিন্ন অশ্লীল গালি-গালাজো লিখি থোৱা আছিল। উল্লেখ্য যে 'ইজি অৱ ডুইং বিজিনেছ ইন আছাম' নামৰ ছফ্টৱেৰটোৰ জৰিয়তে ক্ষুদ্ৰ অথবা বৃহৎ উদ্যোগপতিসকলে তেওঁলোকৰ প্ৰতিষ্ঠান প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডত পঞ্জীয়ন কৰাৰ সুবিধা আছে। কিন্তু এই ছফ্টৱেৰটোকে অসাধু চক্ৰই হেক কৰাৰ ফলত বিভাগটোৰ কামকাজত যে ব্যাপক ক্ষতি হ'ব সেই বিষয়ে সকলো নিশ্চিত হৈ পৰিছে।

## লংকাত দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**লংকা, ২১ নৱেম্বৰ ঃ** আজি সন্ধিয়া লংকাৰ জোৰাপুখুৰীত সংঘটিত এক দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হয়। ৫৪ নম্বৰ ৰাষ্ট্ৰীয় পথত এখন তীব্ৰবেগী বাহনে খুন্দা মৰাৰ ফলতে মহিলাগৰাকীৰ ঘটনাস্থলীতে মৃত্যু হয় বুলি আৰক্ষীয়ে জনাইছে। ঘটনাৰ বিৱৰণী মতে, লংকাৰ জোৰাপুখুৰী অঞ্চলৰ জবাশ্ৰী দাস (৬০) নামৰ মহিলাগৰাকীয়ে সন্ধিয়া বজাৰ কৰি নিজ গৃহলৈ ওভতাৰ পথত দুৰ্ঘটনাত আঠ পৃষ্ঠাত চাওক



*নগাঁৱত বিধায়ক ৰূপক শৰ্মাৰ উপস্থিতিত তিনিটা পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছে কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁয়ে।*

## মৰাণত উৰলি যোৱা মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২১ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বামুণবাৰী আৰক্ষী চকীৰ অন্তৰ্গত মৰাণ নগৰৰ সমীপতে থকা বামুণবাৰীত আজি পুৱা পথাৰৰ মাজত এটা উৰলি যোৱা মৃতদেহ উদ্ধাৰ হয়। পাছত মৃতদেহটো বামুণবাৰী বৰলাইনৰ সৰগম চাৰৰী (৩৫)ৰ বুলি চিনাক্ত কৰা হয়। মৃত যুৱকজন কে'বাদিনো ধৰি নিৰুদ্দেশ হৈ আছিল। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।

## কোকৰাঝাৰত আৰম্ভ বাবা ৰামদেৱৰ বিনামূলীয়া যোগ প্ৰশিক্ষণ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২১ নৱেম্বৰ ঃ** কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত আজিৰে পৰা আৰম্ভ হৈছে যোগ গুৰু বাবা ৰামদেৱৰ তিনিদিনীয়া বিনামূলীয়া যোগ প্ৰশিক্ষণ শিবিৰ। আজি পুৱা পাঁচ বজাৰ পৰা সাত বজালৈ অনুষ্ঠিত হোৱা প্ৰথম দিনাৰ শিবিৰত ৰাজনৈতিক নেতা, ভক্তকে ধৰি কে'বা সহস্ৰাধিক লোকে উপস্থিত থাকি ৰামদেৱৰ স'তে যোগৰ অনুশীলন কৰে। যোগৰ সমান্তৰালভাৱে বাবা ৰামদেৱে পতঞ্জলিৰ উৎপাদিত সামগ্ৰীৰ বিষয়ে প্ৰচাৰ চলায়। আজিৰ কাৰ্যসূচীৰ অন্তত যোগগুৰুজনে সাংবাদিখ আগত অসম তথা বি টি এ ডিৰ আৰ্থ সামাজিক দিশৰ উন্নয়নত নিজকে ব্ৰতী কৰাৰ অংগীকাৰ কৰাৰ লগতে এই অঞ্চলত শিক্ষা, স্বাস্থ্য আৰু অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিয়া হ'ব বুলি সদৰী কৰে। তদুপৰি ভৱিষ্যতে এৰী, মুগা কাপোৰকে ধৰি হস্ততাঁত বস্ত্ৰশিল্পক লৈ উদ্যোগ নিৰ্মাণ কৰি উন্নয়ন কৰা হ'ব বুলিও বাবা ৰামদেৱে প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি যোগ শিবিৰত অংশগ্ৰহণ কৰাৰ বাবে পুৱা চাৰি বজাৰ পৰাই বিভিন্ন প্ৰান্তৰ পৰা শিশু, বৃদ্ধ, পুৰুষ-মহিলাৰ লানি নিছিঙা সোঁত বয়।

## ওদালগুৰিত বন্যহস্তীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ওদালগুৰি, ২১ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষী থানাৰ অন্তৰ্গত বনগুৰুমত কালি সন্ধিয়া এজনী বন্যহস্তীৰ মৃত্যু হয়। জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বনগুৰুমৰ মৰা ভোল্লা নদীৰ পাৰত সন্ধিয়া প্ৰায় পাঁচ বজাত মৃত বন্যহস্তী স্থানীয় লোকে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হোৱাৰ পাছত আজি পুৱা প্ৰায় সাত বজাত হাতীজনীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হয়। পশু চিকিৎসক কৈলাশ চন্দ্ৰ চমুৱাই জনোৱা মতে প্ৰায় ১৮ বছৰীয়া মাইকী হাতীজনীৰ পূৰ্বৰে পৰা অসুস্থ আছিল আৰু অত্যধিক ৰক্তক্ষৰণৰ বাবেই মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। মৃত হাতীজনীৰ নেজডাল কটা আছিল আৰু পিছ ভৰিত ঘা প্ৰত্যক্ষ কৰা বুলিও পশু চিকিৎসকজনে জানিবলৈ দিয়ে।

## মিছামাৰীত আটক জম্মু-কাশ্মীৰৰ মানৱ সৰবৰাহকাৰী

**ঠেলামৰা, ২১ নৱেম্বৰ ঃ** ৰাজ্যত সক্ৰিয় হৈ আছে বহিঃৰাজ্যৰ মানৱ সৰবৰাহকাৰী। বহিঃৰাজ্যত সংস্থাপন দিয়াৰ প্ৰলোভনেৰে ৰাজ্যৰ বহু যুৱক-যুৱতীক অসমৰ বাহিৰলৈ নি থকাৰ সময়তে আজি মিছামাৰীত আটক হ'ল জম্মু-কাশ্মীৰৰ এজন মানৱ সৰবৰাহকাৰী। ছয় কিশোৰ-কিশোৰীক সংস্থাপন দিয়াৰ প্ৰলোভনেৰে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰলৈ নিবলৈ প্ৰস্তুতি লোৱাৰ সময়ত শোণিতপুৰৰ মিছামাৰী ৰেল ষ্টেছনত উক্ত যুৱকজনক আটক কৰা হয়।

### শ্ৰীনগৰলৈ নিয়াৰ পথত কিশোৰীসহ ছগৰাকীক উদ্ধাৰ

মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত নিউ মিছামাৰী ৰেল ষ্টেছনৰ পৰা স্থানীয় আছা, আটছা, এবছুৰ কৰ্মকৰ্তাই জম্মু-কাশ্মীৰৰ হুমায়ুং নাজিৰ দাৰিয়াল নামৰ যুৱকজনক আৰক্ষীৰ সহযোগত আটক কৰিবলৈ সক্ষম হয়। যুৱকজনৰ পৰা দলটোৱে ছয় কিশোৰ-কিশোৰীক উদ্ধাৰ কৰে। প্ৰাপ্ত তথ্য অনুসৰি জম্মু-কাশ্মীৰৰ যুৱকজনক এই কাৰ্যত মধ্যস্থতাকাৰী হিচাপে সহায় কৰিছে মিছামাৰীৰ শংকৰ মুণ্ডা নামৰ লোকজনে। হুমায়ুনে যোৱা ১৭ নৱেম্বৰত অসমত উপস্থিত হোৱাৰ পাছত মিছামাৰীৰ সোণাপুৰ নামৰ ঠাইখনত মুণ্ডাৰ ঘৰত অৱস্থান কৰে। তাৰ পাছতে আঠ পৃষ্ঠাত চাওক

## চিকিৎসকক বদলিৰ প্ৰতিবাদত স্বাস্থ্য কেন্দ্ৰত তলা ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২১ নৱেম্বৰ ঃ** চিকিৎসকক ষড়যন্ত্ৰমূলকভাৱে বদলি কৰিব খোজাৰ প্ৰতিবাদত ছিপাঝাৰৰ হাজৰিকাপাৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। ক্ষুব্ধ ৰাইজে আজি চিকিৎসালয়খনত তলা ওলমাই প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ লগতে এখন ব্যক্তিগত ফাৰ্মাচীৰ গৰাকীয়ে চিকিৎসকক হাৰাশাস্তি কৰাৰ অভিযোগো ৰাইজে উত্থাপন কৰে।

### চৰকাৰী চিকিৎসকক হাৰাশাস্তি ব্যক্তিগত ফাৰ্মাচীৰ গৰাকীৰ

উল্লেখ্য যে ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত চিকিৎসকৰ অভাৱ ৰাইজে দীৰ্ঘদিন ধৰি অনুভৱ কৰি আহিছে। ইয়াৰ পৰিৱৰ্তে স্বাস্থ্য কেন্দ্ৰটোত থকা এজন চিকিৎসকলৈ বদলিৰ নিৰ্দেশ অহাৰ পাছতে ষড়যন্ত্ৰমূলকভাৱে এই নিৰ্দেশ দিয়া বুলি স্থানীয় ৰাইজ ক্ষুব্ধ হৈ পৰে। অঞ্চলটোৰ শতাধিক লোকে আজি চিকিৎসালয়ত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত আঠ পৃষ্ঠাত চাওক

## বিশ্বনাথত পৃথক ঘটনাত তিনিজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২১ নৱেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিত সংঘটিত তিনিটা পৃথক দুৰ্ঘটনাত কালি তিনিজন লোকৰ মৃত্যু হয়। ইয়াৰে এজনে পানীত পৰি প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাত আন এজন লোক গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে যোৱা নিশা বিশ্বনাথ চাৰিআলিৰ বৰ অসম ধাবাৰ সমীপত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত এক দুৰ্ঘটনা সংঘটিত হয়। বিশ্বনাথ চাৰিআলিৰ দিশে আহি থকা দুজন মটৰ চাইকেল আৰোহীক এখন অৰুণাচলী ছাফাৰীয়ে পাছফালৰ পৰা খুন্দা মাৰে। এই দুৰ্ঘটনাত বিশ্বনাথ চাৰিআলিৰ সাধাৰুপাৰৰ ৰিতুল বৰা (৩০) আৰু খৰাশিমলুৰ ৰূপম কোচ (৩২) গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজে আহত লোক দুজনক বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত চিকিৎসকে দুয়োকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। গুৱাহাটীলৈ নিয়াৰ পথত কলিয়াবৰত ৰিতুলৰ মৃত্যু হয়। অৱশ্যে গুৰুতৰভাৱে আহত ৰূপম সম্প্ৰতি বিপদমুক্ত বুলি পৰিয়ালৰ সূত্ৰই জনাইছে। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত কৰি ছাফাৰীখনৰ চালকে অন্ধকাৰৰ সুযোগ গ্ৰহণ কৰি বাহনসহ পলায়ন কৰে। ইপিনে, বিশ্বনাথ চাৰিআলিৰ মিজিকাৰ পৰা বালি কঢ়িওৱা এন এল-০২ কিউ-২২৩২ নম্বৰৰ ট্ৰাকখনৰ পৰা তললৈ সৰি পৰাৰ আঠ পৃষ্ঠাত চাওক

## হোজাইত ৰেলৰ খুন্দাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ নৱেম্বৰ ঃ** আজি পুৱা হোজাইত ৰেলৰ খুন্দাত এজন লোকৰ মৃত্যু হয়। প্ৰাপ্ত বাতৰি অনুসৰি হোজাই থানাৰ অন্তৰ্গত শান্তিবন অঞ্চলত এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰায় ৫০ বছৰীয়া লোকজনে ৰেলপথ পাৰ হ'বলৈ চেষ্টা কৰা অৱস্থাতে এখন উজনিমুৱা মালবাহী ৰেলে তেওঁক খুন্দা মাৰে। বাতৰি লিখাৰ পৰলৈকে লোকজনৰ পৰিচয় লাভ কৰা নাই। ইপিনে, ৰেলপথৰ ওপৰতে লোকজনৰ মৃতদেহ পৰি থকাৰ বাবে উজনিমুৱা মালবাহী ৰেলখন দীৰ্ঘসময় ধৰি উক্ত স্থানত আবদ্ধ হৈ থাকে।

### বেদখলকাৰীয়ে চৰকাৰী ভূমি এৰিবই লাগিব ঃ গোহাঁই

## নগাঁৱত কেন্দ্ৰীয় পুঁজিৰ ৭৫ কোটি টকাৰে তিনিটা পথ নিৰ্মাণ কাৰ্য আৰম্ভ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ নৱেম্বৰ ঃ** নগাঁও চহৰ সংযোগী আটাইবোৰ পথ আটকধুনীয়াকৈ পুনৰ নিৰ্মাণৰ বিশেষ উদ্যোগ লৈছে ৰেল ৰাজ্যমন্ত্ৰী তথা স্থানীয় সাংসদ ৰাজেন গোহাঁই আৰু নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। ইয়াৰ অংশৰূপে নগাঁও কলেজ পুলিচ পইন্টৰ পৰা ডিমৌৰ চাৰিলেন যুক্ত বাইপাছলৈ (১০.৮০ কিলোমিটাৰ), নগাঁও কলেজ পুলিচ পইন্টৰ পৰা উৰিয়াগাঁও বাইপাছলৈ (৬.৬৫ কিলোমিটাৰ) আৰু নগাঁও কলেজ পুলিচ পইন্টৰ পৰা বৰঘাট বাইপাছলৈ (৫.১৫ কিলোমিটাৰ) পথ কেইটা কেন্দ্ৰীয় পথ পুঁজি (চি আৰ এফ)ৰ ৭৫ কোটি টকা ব্যয় সাপেক্ষে পুনৰ উন্নীতকৰণৰ কামৰ কালি আধাৰশিলা স্থাপন কৰে কেন্দ্ৰীয় মন্ত্ৰী গোহাঁয়ে। বিধায়ক শৰ্মাৰ উপস্থিতিত কালি আধাৰশিলা স্থাপন কৰি এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ দি গোহাঁয়ে কয়, 'পথ তিনিটাৰ নিৰ্মাণ কাৰ্য নিম্নমানৰ হ'লে কাকো সহ্য কৰা নহ'ব। কামৰ মানৰ ক্ষেত্ৰত কোনো আপোচ নকৰি গড়কাপ্তানী বিষয়াসকলে নিৰ্মাণৰ কাম সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব লাগিব। কাম বেয়া হ'লে মই বহি নাথাকিম।' চৰকাৰী ভূমিৰ বেদখলৰ সম্পৰ্কত তেওঁ কয়, 'চৰকাৰী আঠ পৃষ্ঠাত চাওক


GNRC Quality • Value • Trust স্বাস্থ্য-বাৰ্তা

আপোনাৰ চহৰত জিএনআৰচিৰ অ'পিডি সেৱা

২৩ নৱেম্বৰ

উবেৰ হেল্‌থ এণ্ড ৰিচাৰ্ছ চেণ্টাৰ, বৰপেটা

ডাঃ বিপ্লৱ পল (হৃদ্‌ৰোগ বিশেষজ্ঞ)

লক্ষণবোৰ ঃ বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, যক্ষ্মা, উচ্চ কলেষ্টেৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ।

২৪ নৱেম্বৰ

ল'ৰাৰ আছাম হাস্পতাল, বঙাইগাঁও

ডাঃ কৃষ্ণ চন্দ্ৰ নাৰ্জাৰী (হৃদ্‌ৰোগ বিশেষজ্ঞ)

লক্ষণবোৰ ঃ বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, যক্ষ্মা, উচ্চ কলেষ্টেৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ।

যোগাযোগৰ নম্বৰ 7002770765

info@gnrchospitals.com www.gnrchospitals.com


C M Y K